**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 20-12-2025 **Time :** 1100 Hrs.

0000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰায় ১৫ হাজাৰ ৬০০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে আজি গুৱাহাটীৰ বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত নৱনিৰ্মিত বাঁহ অৰ্কিড টাৰ্মিনেল ভৱন উদ্বোধন কৰিব। ৪ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে এই নতুন টাৰ্মিনেল ভৱনটো নিৰ্মাণ কৰা হৈছে। প্ৰায় এক লাখ ৪০ হাজাৰ বৰ্গমিটাৰ এলেকাজুৰি নিৰ্মাণ কৰা এই নতুন টাৰ্মিনেলটো বছৰি এক কোটি ৩০ লাখ যাত্ৰীক সেৱা আগবঢ়াব পৰাকৈ নিৰ্মাণ কৰা হৈছে। বাঁহ আৰু অৰ্কিড বিষয়বস্তুৰে নিৰ্মাণ কৰা এই টাৰ্মিনেল ভৱনে অসমৰ জৈৱ বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰিছে। প্ৰধানমন্ত্ৰীয়ে বিমানবন্দৰতে অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৮০ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। এই  কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, অসামৰিক পৰিবহণ মন্ত্ৰী কিঞ্জাৰাপু ৰামমোহন নাইডু, ৰাজ্যমন্ত্ৰী মুৰলীধৰ মহল, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি কেইবাগৰাকী মন্ত্ৰী-বিধায়ক উপস্থিত থাকিব। তেওঁ লগতে টাৰ্মিনেল ভৱনৰ বাহিৰত এখন জনসভাত ভাগ ল'ব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে দলীয় কৰ্মকৰ্তাসকলে বৃহৎ ৰোড শ্ব'ৰ আয়োজন কৰিছে।

শ্ৰীমোদীয়ে কাইলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** কাৰ্যসূচীত অংশ লৈ তেওঁলোকৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব।

প্ৰধানমন্ত্ৰীগৰাকী ইয়াৰ পাছত কাইলৈ নামৰূপলৈ যাব আৰু নামৰূপ সাৰ কাৰখানাত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। ইতিমধ্যে এই অনুষ্ঠানৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈছে। মন্ত্ৰী বিমল বৰাই আজি জনসভাস্থলী পৰিদৰ্শন কৰি সকলো দিশ পৰ্যালোচনা কৰে।

০০০০০০০০

ৰাজ্যৰ ৭ খন জিলাত গাহৰি মাংস বিক্ৰীৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হৈছে। উল্লেখযোগ্য যে আফ্ৰিকান ছোৱাইন ফিভাৰৰ ব্যাপক সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত যোৱা ১৬ নৱেম্বৰৰ পৰা যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, ধেমাজি, লখিমপুৰ আৰু দৰং জিলাত গাহৰি মাংস বিক্ৰীৰ লগতে গাহৰিৰ সৰবৰাহ নিষিদ্ধ কৰা হৈছিল। শেহতীয়াকৈ নমুনা পৰীক্ষাত আফ্ৰিকান SWINE FEVER ঋণাত্মক হোৱাত মাংস বিক্ৰীৰ ক্ষেত্ৰত থকা নিষেধাজ্ঞা প্ৰত্যাহাৰ কৰা হৈছে। অৱশ্যে আন্তঃ জিলা গাহৰি সৰবৰাহৰ ক্ষেত্ৰত পূৰ্বৰ নিষেধাজ্ঞা বাহাল

থাকিব। ইপিনে, বহিঃৰাজ্যৰ পৰা চাৰ্টিফাইড গাহৰি সৰবৰাহ কৰিব পাৰিব বুলি পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

SWINE FEVER-ৰ প্ৰাদুৰ্ভাৰৰ ফলত এই জিলাসমূহত ব্যাপক হাৰত গাহৰি নিধন কৰাৰ ফলত গাহৰি পালকসকল যথেষ্ট সমস্যাৰ সন্মুখীন হয়। ধেমাজি জিলাত গাহৰি মাংসৰ বিক্ৰীৰ ক্ষেত্ৰত জিলা প্ৰশাসনে পূৰ্বে জাৰি কৰা নিষেধাজ্ঞা বাতিল কৰাত গাহৰি পালকসকলে সকাহ পাইছে। এই সন্দৰ্ভত জিলা প্ৰশাসনে কালি আন এখন জাননীযোগে ব্যৱসায়ীসকলে বজাৰত পুনৰ গাহৰি মাংস বিক্ৰী কৰিব পাৰিব বুলি জনোৱা হৈছে।

০০০০০০০০

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ চৰচ মেলা কাইলৈৰ পৰা ৩০ ডিচেম্বৰলৈ তিনিচুকীয়া জিলাত অনুষ্ঠিত হ'ব। চৰচ মেলাত দেশৰ বিভিন্ন ৰাজ্যৰ হস্তশিল্প, মৃৎ শিল্প, কাঠ শিল্প সামগ্ৰীকে ধৰি খাদী, টেৰাকোটা সামগ্ৰীৰ ২৫ খন বিশেষ বিপণী থাকিব। তদুপৰি অসমৰ মুগা শিল্প, জি আই টেগযুক্ত পানীমেটেকাৰ সামগ্ৰী, বাঁহ-বেতৰ সামগ্ৰী, মুখাশিল্প, থলুৱা খাদ্য আৰু অন্যান্য হস্তনিৰ্মিত সামগ্ৰীৰ বিপণী থাকিব। মেলাৰ সৈতে সংগতি ৰাখি থলুৱা খাদ্য আৰু ৰন্ধন প্ৰতিযোগিতা, সংগীত, নৃত্য-চিত্ৰাংকন প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক সন্ধিয়াৰ আয়োজন কৰা হৈছে।

০০০০০০০

নগাঁও জিলাৰ কামপুৰ-যমুনামুখৰ মাজৰ চানজুৰাই ৰে'লপথত আজি পুৱতি নিশা নামনিমুৱা ৰাজধানী এক্সপ্ৰেছৰ খুন্দাত ৭টা বনৰীয়া হাতীৰ মৃত্যু হয়। এই দুৰ্ঘটনাত ৰে'লখনৰ পাঁচটা দবা লাইনচ্যুত হয়। দুৰ্ঘটনাত কোনো লোকৰ ক্ষয়-ক্ষতি হোৱা নাই বুলি ৰে'ল বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। আমাৰ নগাঁৱৰ সংবাদদাতাই জনোৱা মতে পুৱতি নিশা বনৰীয়া হাতীৰ এটা জাকে ৰে'লপথ অতিক্ৰম কৰাৰ সময়তে এই দুৰ্ঘটনাটো সংঘটিত হয়। ইয়াৰ ভিতৰত দুটা দঁতাল হাতী আৰু এজনী গৰ্ভৱতী হাতীকে ধৰি পাঁচজনী মাইকী হাতী আছিল। ঘটনাৰ খবৰ পোৱা মাত্ৰেই ৰে'ল বিভাগ আৰু বন বিভাগৰ বিষয়া কৰ্মচাৰী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। তেওঁলোকে তৎপৰতাৰে কাম আৰম্ভ কৰি ৰে'লপথছোৱা মুকলি কৰে।

০০০০০০০

**সমাপ্ত**